## 17th Meeting of the Working Mechanism for Consultation & Coordination on India-China Border Affairs

July 24, 2020

---

## ভাৰত চীন সীমান্ত বিষয়সমূহৰ ওপৰত পৰামৰ্শ আৰু সমন্বয়ৰ কাৰণে কাৰ্যকৰী পদ্ধতিৰ 17তম বৈঠক

জুলাই 24, 2020

1.24 জুলাই 2020 তাৰিখে ভাৰত-চীন সীমান্ত বিষয়সমূহৰ (ডব্লিউ এম চি চি) ওপৰত পৰামৰ্শ আৰু সমন্বয়ৰ কাৰণে কাৰ্যকৰী পদ্ধতিৰ 16তম বৈঠক অনুষ্ঠিত হয়। বৈদেশিক মন্ত্ৰণালয়ৰ যুটীয়া সচিবে (পূব এচিয়া) ভাৰতীয় প্ৰতিনিধিবৰ্গৰ নেতৃত্ব কৰিছিল, আনহাতে চীনৰ হৈ প্ৰতিনিধিসকলক নেতৃত্ব দিছিল চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ সীমা আৰু মহাসাগৰীয় বিভাগৰ মহানিৰ্দেশকে।

2. দুয়ো পক্ষই এল এ চি ৰ পশ্চিম ক্ষেত্ৰত সৈন্যবাহিনীৰ গতিবিধি হ্ৰাস কৰাৰ ক্ষেত্ৰত লোৱা প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ লগতে ভাৰত-চীন সীমান্তৰ পৰিস্থিতিৰ পৰ্য্যালোচনা কৰিব। তেওঁলোকে দ্বিপাক্ষিক আৰু সাময়িক চুক্তি অনুসৰি সীমান্ত এলেকাত শান্তিপূৰ্ণ অৱস্থাৰ পুনৰ বাহাল ৰখাৰ কাৰণে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা (এল এ চি) ৰ পৰা সৈনিকসকলক শীঘ্ৰে আৰু সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰাক লৈ সন্মত হয়। এইয়া 5 জুলাই 2020 তাৰিখে দুয়োখন দেশৰ বিশেষ প্ৰতিনিধিৰ মাজত টেলিফোন বাৰ্তালাপ জৰিয়তে হোৱা চুক্তিখন অনুসৰি হোৱাৰ কথা তেওঁলোকে উল্লেখ কৰে। এইক্ষেত্ৰত তেওঁলোক একমত যে দুয়ো পক্ষৰ জ্যেষ্ঠ কমাণ্ডাৰসকলৰ মাজত হোৱা বুজাবুজিৰ আন্তৰিকতাৰ সৈতে কাৰ্য্যকৰী কৰাটো আৱশ্যকীয়। দুয়োখন দেশৰ জ্যেষ্ঠ প্ৰতিনিধিসকলৰ মাজত হোৱা সন্মতি অনুসৰি জ্যেষ্ঠ কমাণ্ডৰসকলে পৰৱৰ্তী পদক্ষেপসমূহৰ কাৰণে অতি সোনকালেই বৈঠকত মিলিত হব যাতে সময়মতে সম্পূৰ্ণ প্ৰত্যাহাৰ আৰু বিস্তৃতি ৰোধ আৰু সীমান্তৱৰ্তী এলেকাত স্থায়ী শান্তি আৰু সমৃদ্ধি বজাই ৰাখিব পৰা যায়।

3. দুয়ো পক্ষই ডব্লিউ এম চি চি ৰ এটি বৈঠকৰ জৰিয়তে পৰিস্থিতিৰ দ্ৰুত সমাধান সুনিশ্চিত কৰাৰ কাৰণে কূটনৈতিক আৰু সামৰিক উভয় স্তৰত চলি থকা যোগাযোগ বজাই ৰখাৰ ক্ষেত্ৰত সন্মতি ব্যক্ত কৰে।

**নতুন দিল্লী**
**জুলাই 24, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.